**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-08-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
-------------------

১। গুৱাহাটীত আই আই এম স্থাপনৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদন।

২। ৰাজ্যত অক্টোবৰৰ পৰা জানুৱাৰীলৈ ৮ খন গ্ৰন্থমেলাৰ আয়োজন।

৩। স্বাধীনতা দিৱসলৈ মাজত এটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিভিন্ন জিলা প্ৰশাসনৰ প্ৰস্তুতি সম্পূৰ্ণ। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি ত্ৰিৰংগ সমলয় কাৰ্যসূচী।

৪। বিশিষ্ট সাহিত্যিক ভবেন্দ্ৰ নাথ শইকীয়াৰ আজি দ্বাবিংশ পূন্য তিথি উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। **আৰু**

৫। দিল্লীত ১৯ আগষ্টৰ পৰা সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতা।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই গুৱাহাটীত ইণ্ডিয়ান ইনষ্টিটিউট অব্ মেনেজমেণ্ট অৰ্থাৎ আই আই এম স্থাপনৰ বাবে কালি অনুমোদন জনায়। এই প্ৰতিষ্ঠানটো উত্তৰ-পূবৰ দ্বিতীয় আৰু দেশৰ ২২ সংখ্যক আই আই এম হিচাপে পৰিগণিত হ'ব। ইয়াৰ আগেয়ে শ্বিলঙত ২০০৭ চনত আই আই এম প্ৰতিষ্ঠা কৰা হৈছিল। এই প্ৰতিষ্ঠানটো নিৰ্মাণত ৫০০ কোটি টকাৰো অধিক ধন ব্যয় কৰা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰিছে। এই পদক্ষেপে গুৱাহাটীত উত্তৰ-পূবৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। ইতিমধ্যে মহানগৰীখনত আই আই টি, ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় আৰু ন্যায়িক একাডেমী থকাৰ লগতে চাংসাৰিত এইম্ছ প্ৰতিষ্ঠা কৰা হৈছে। নতুনকৈ প্ৰতিষ্ঠা কৰিবলগীয়া আই আই এমে উত্তৰ-পূৰ্বাঞ্চলত ব্যৱস্থাপনা শিক্ষাৰ দিশত থকা দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰিব বুলি আশা কৰা হৈছে। প্ৰতিষ্ঠানটোৱে উচ্চমানৰ শিক্ষা আৰু গৱেষণাৰ সুবিধাৰে শিক্ষাৰ্থীসকলক উপকৃত কৰাৰ লগতে উদ্যমিতা আৰু সামৰ্থ বৰ্ধনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলিও আশা কৰা হৈছে।

০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই যৌথভাৱে আয়োজন কৰি অহা **অসম গ্ৰন্থমেলা** এইবছৰ ৰাজ্যখনৰ মুঠ ৮ টা স্থানত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় সভাকক্ষত কালি অনুষ্ঠিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই এই কথা প্ৰকাশ কৰে। সেইমৰ্মে ২২ অক্টোবৰৰ পৰা ২৯ অক্টোবৰলৈ বঙাইগাওঁ, ১ নৱেম্বৰৰ পৰা ১০ নৱেম্বৰলৈ লখিমপুৰ, ৬ নৱেম্বৰৰ পৰা ১৭ নৱেম্বৰলৈ নলবাৰী, ১৪ নৱেম্বৰৰ পৰা ২৬ নৱেম্বৰলৈ যোৰহাট, ২৮ নৱেম্বৰৰ পৰা ৭ ডিচেম্বৰলৈ তিনিচুকীয়া, ১ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ শিলচৰ আৰু ১২ ডিচেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ মঙলদৈত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। গুৱাহাটীত এইবাৰ হ'বলগীয়া অসম গ্ৰন্থমেলা পূৰ্বৰ বাৰ দিনৰ ঠাইত ১৪ দিনীয়াকৈ আয়োজন কৰা হ'ব। বিগত বছৰৰ দৰে গুৱাহাটীৰ খানাপাৰৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অহা ২৪ ডিচেম্বৰ ২০২৫ ৰ পৰা ৬ জানুৱাৰী ২০২৬ লৈ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব।

০০০০০০

রাজ্যত আজি পুনৰ দুখন সমজিলা সংযোজনৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হ'ব। এই উপলক্ষে শোণিতপুৰ আৰু তিনিচুকীয়াত সমজিলা সংযোজনৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। তিনিচুকীয়াৰ ডিগবৈত হ'বলগীয়া ডিগবৈ সমজিলাৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। আনহাতে শোণিতপুৰৰ ৰঙাপৰাত হ'বলগীয়া ৰঙাপৰা সমজিলাৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী পীযূষ হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ইয়াৰ লগে লগে ৰাজ্যত মুঠ সমজিলাৰ সংখ্যা ৪৯ লৈ বৃদ্ধি পাব। বিগত বৰ্ষৰ অক্টোবৰত প্ৰথম পৰ্যায়ত ৩৯ খন সমজিলা সংযোজন কৰা হৈছিল। প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ হিচাপে গঠন কৰা সমজিলাসমূহে ভূমি, ৰাজহ সম্পৰ্কীয় সেৱা, উন্নয়ন আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণ প্ৰশাসনিক ক্ষমতা, খাদ্য আৰু অসামৰিক যোগান ব্যৱস্থা নিশ্চিত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ সফল ৰূপায়ণ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনসাধাৰণক প্ৰয়োজনীয় সুবিধা লাভ কৰাত সহায় কৰিব। ডিগবৈ সমজিলাৰ আজিৰ কাৰ্যসূচীৰ সন্দৰ্ভত এয়া তিনিচুকীয়াৰ পৰা আমাৰ সংবাদদাতা মনোৰঞ্জন মৰাণ–

**ভইচ**

উল্লেখযোগ্য যে কালি ৰাজ্যত ৮ খন নতুন সমজিলাৰ সংযোজন হয়। কামৰূপ জিলাৰ বকো-ছয়গাঁও আৰু পলাশবাৰী সমজিলা, শোণিতপুৰৰ বৰছলা, যোৰহাটৰ মৰিয়নি আৰু টীয়ক, তিনিচুকীয়াৰ মাকুম, কাছাৰৰ ধলাই আৰু গোৱালপাৰা জিলাৰ দুধনৈ সমজিলাৰ কালি আনুষ্ঠানিকভাৱে সংযোজন ঘটোৱা হৈছিল।

০০০০০০

স্বাধীনতা দিৱসলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। আলফা স্বাধীনকে ধৰি কেইবাটাও উগ্ৰপন্থী সংগঠনে এইবাৰ স্বাধীনতা দিৱস বৰ্জনৰ আহ্বান জনোৱাৰ পাছত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। স্বাধীনতা দিৱসৰ সময়ছোৱাত যাতে উগ্ৰপন্থী সংগঠনসমূহে কোনো ধৰণৰ কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে উজনি অসমৰ লগতে গুৱাহাটী মহানগৰী আৰু নামনি অসমৰ বিভিন্ন স্থানত আৰক্ষীয়ে কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। প্ৰতিকূল বতৰৰ মাজতো স্বাধীনতা দিৱস উদযাপনৰ বাবে আৰক্ষী, অৰ্ধ-সামৰিক বাহিনী, গৃহৰক্ষী বাহিনীকে ধৰি স্কাউট গাইডৰ দলে প্ৰতিদিনে পেৰেডৰ অনুশীলন চলাই আছে।

আনহাতে যোৱা ২ আগষ্টৰ পৰা কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত বিভিন্ন জিলাত প্ৰশাসনে সমদল আদিৰ আয়োজন কৰিছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত **ঘৰে ঘৰে ত্ৰিৰংগ** কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ত্ৰিৰংগ সমলয় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই উপলক্ষে আজি বিয়লি আয়োজন কৰা কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০

যশস্বী সাহিত্যিক, কেইবাখনো ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত চলচ্চিত্ৰ পৰিচালক ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ দ্বাবিংশ মৃত্যু বাৰ্ষিকী উপলক্ষে আজি শ্ৰদ্ধা নিবেদন কৰা হৈছে। এই উপলক্ষে সাহিত্যিকগৰাকীৰ সপোনৰ প্ৰকল্প আৰোহণত বিভিন্ন কাৰ্যসূচীৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আৰোহণ প্ৰেক্ষাগৃহত বিয়লিৰ ভাগত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হ'ব। ড° শইকীয়াৰ অৱদান সন্দৰ্ভত বিশিষ্ট নাট্যকৰ্মী, আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বিষয়া নয়ন প্ৰসাদে এইদৰে কয় –

**-বাইট-**

০০০০০০

গুৱাহাটীৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানে চিকিৎসাৰ বিভিন্ন ক্ষেত্ৰত কালিৰে পৰা কাৰ্যকৰী হোৱাকৈ মাচুল বৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছে। চিকিৎসা প্ৰতিষ্ঠানখনে জাননী অবিহনে হঠাৎ দহ গুণ পৰ্যন্ত চিকিৎসা মাচুল বৃদ্ধি কৰাত ৰোগী আৰু অভিভাৱকৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পূৰ্বতে চিকিৎসা প্ৰতিষ্ঠানখনত পঞ্জীয়ন মাচুল এশ টকা আছিল যদিও বৰ্তমান এই মাচুল ৩৬০ টকালৈ বৃদ্ধি কৰা হৈছে। একেদৰে জেনেৰেল বেডৰ ভাড়া ২০০ টকাৰ পৰা এহেজাৰ ৫০০ টকালৈ বৃদ্ধি কৰা হৈছে। এজনীয়া কেবিনৰ ভাড়া ৩ হাজাৰ টকাৰ পৰা ৪ হাজাৰ ৫০০ টকালৈ, শ্বেয়াৰিং কেবিন ২ হাজাৰ টকাৰ পৰা ৩ হাজাৰ টকালৈ আৰু আই চি ইউৰ ভাড়া এহেজাৰ ৫০০ টকাৰ পৰা ৪ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। তেজ পৰীক্ষাৰ মাচুল বাৰশ টকাৰ পৰা দুহেজাৰ ৪০০ টকালৈ আৰু চিটি স্কেনৰ মাচুল ৪ হেজাৰ ৫০০ টকাৰ পৰা ৬ হাজাৰ ৫০০ টকালৈ বৃদ্ধি কৰা হৈছে। উল্লেখযোগ্য যে ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত পূৰ্বতে ৰোগীৰ বাবে কেম' বিনামূলীয়া আছিল যদিও এতিয়াৰে পৰা ৮টাতকৈও অধিক ব্যয়বহুল বিনামূলীয়া কেম' ৰোগীক দিয়া বন্ধ কৰি দিয়া হৈছে। ইয়াৰ পৰিৱৰ্তে ৰোগীসকলে এই কেম' নিজাববীয়াকৈ ক্ৰয় কৰিব লাগিব। আনহাতে চিকিৎসা প্ৰতিষ্ঠানখনত ৰোগী ভৰ্তি হোৱাৰ সময়ত ১০ হাজাৰ টকা আগধন হিচাপে জমা দিব লাগিব। অৱশ্যে চিকিৎসালয়খনৰ কৰ্তৃপক্ষই হঠাৎ চিকিৎসা মাচুল বৃদ্ধি কৰিবলগীয়া হোৱা সন্দৰ্ভত নিজৰ স্থিতি স্পষ্ট কৰিছে। বিষয়টো সন্দৰ্ভত ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানৰ অধীক্ষক ডাঃ দেৱজিৎ চৌধুৰীয়ে এইদৰে কয়।

**বাইট (ডাঃ দেৱজিৎ চৌধুৰী)**

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত অসম শক্তি বিতৰণ কোম্পানী লিমিটেড আৰু অংশীদাৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত অসমত চলি থকা পাম্প ষ্ট'ৰেজ শক্তি প্ৰকল্পসমূহৰ স্থিতি সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। আনহাতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ক'ছমিক বিৰলা গ্ৰুপৰ মুখ্য পৰিচালন সঞ্চালক আদিত্য বিক্ৰম বিৰলাৰ সৈতেও কালি এখন বৈঠকত মিলিত হয়। এই বৈঠকত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০

যোৱা নিশাৰে পৰা হোৱা ধাৰাষাৰ বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ কেইবাটাও অঞ্চল কৃত্ৰিম বানত বুৰ গৈছে। মহানগৰীখনৰ নবীন নগৰ, অনিল নগৰ, হাতীগাঁও, ৰুক্মিনীনগৰ, চানমাৰি আদি অঞ্চলত হোৱা বানৰ ফলত পুৱাৰে যাতায়াত ব্যাহত হৈ পৰিছে। বিভিন্ন স্থানত পদপথসমূহো পানীৰে বুৰাই পেলোৱাত জনসাধাৰণৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে।

০০০০০০

দিল্লীত অহা ১৯ আগষ্টৰ পৰা সুব্ৰত কাপ আন্তঃ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ ৬৪ সংখ্যক সংস্কৰণ অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাৰ তিনিটা শাখাত ১০৬ টা দলে অংশ ল'ব। ১৭ বছৰ অনুৰ্ধ ল'ৰা, ১৭ বছৰ অনুৰ্ধ ছোৱালী আৰু চাব-জুনিয়ৰ শাখাত খেলসমূহ অনুষ্ঠিত হ'ব। ২৫ ছেপ্টেম্বৰলৈ দিল্লী আৰু বেংগালুৰুত চলিবলগীয়া এই প্ৰতিযোগিতা ১৯ আগষ্টত দিল্লীত ১৭ বছৰ অনুৰ্ধ শাখাৰ প্ৰতিযোগিতাৰে আৰম্ভ হ'ব। ২ ছেপ্টেম্বৰৰ পৰা বেংগালুৰুত ছাব-জুনিয়ৰ শাখাৰ খেল অনুষ্ঠিত হোৱাৰ লগতে ১৬ ছেপ্টেম্বৰৰ পৰা দিল্লীত প্ৰতিযোগিতাখনৰ ১৭ বছৰ অনুৰ্ধ ল'ৰা শাখাৰ খেল অনুষ্ঠিত হ'ব।

০০০০০০

**ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত চিকিতসাৰ মাচুল বৃদ্ধি হোৱাৰ বাতৰি অসমীয়া প্ৰতিদিন আৰু অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।**

আধাৰ আৰু ভোটাৰ কাৰ্ডক নাগৰিকত্বৰ প্ৰমাণ হিচাপে গণ্য কৰিব নোৱাৰি। নিৰ্বাচন আয়োগৰ বিশেষ ভোটাৰ পুনৰীক্ষণক প্ৰত্যাহ্বান জনাই দাখিল কৰা আবেদনৰ শুনানিত উচ্চতম ন্যায়ালয়ে এইদৰে প্ৰকাশ কৰে। এয়া দি আছাম ট্ৰিবিউন কাকতৰ বাতৰি।

অসম গ্ৰন্থমেলা ৰাজ্যৰ ৮ খন জিলাত ৪ মাহ ধৰি চলিব। গুৱাহাটীৰ খানাপাৰাত **১৪** দিনীয়াকৈ গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। **দৈনিক অগ্ৰদূত** কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

**দৈনিক জনমভুমি** কাকতে সমাগত ৭৯ সংখ্যক স্বাধীনতা দিৱসত ৰাষ্ট্ৰপতি ভৱনলৈ মঙলদৈৰ কৃষি উদ্যোগী দীপ্তি চহৰীয়াক আমন্ত্ৰণ জনোৱাৰ বাতৰিক আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

লোকসভাত শিক্ষা বিভাগৰ সংসদীয় স্থায়ী সমিতিয়ে দাখিল কৰা প্ৰতিবেদন অনুসৰি দেশৰ চৰকাৰী বিদ্যালয়সমূহত **১০** লাখ শিক্ষকৰ পদ খালী হৈ থকাৰ বাতৰিটোক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

ব্ৰহ্মপুত্ৰৰ উপৰিভাগত চীনে নিৰ্মাণ কৰিবলগীয়া বৃহত নদীবান্ধক প্ৰত্যাহ্বান জনাই অৰুণাচল প্ৰদেশত জলবিদ্যুত প্ৰকল্প নিৰ্মাণত কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনোৱাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে।

**আমাৰ অসম** আৰু **দ্য চেন্টিনেল** কাকতে গোলাঘাট জিলাৰ দেৰগাৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত গোৱা আৰক্ষীৰ সাতশ নৱনিযুক্ত আৰক্ষী জোৱানৰ দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হোৱাৰ বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ উভতি যাও....

০০০০০০

দক্ষিণ কামৰূপৰ মিৰ্জাৰ নিকটৱৰ্তী ঝাৰোবড়ী গাঁৱৰ সৰবৰহী মহিলা প্ৰমীলা দাসৰ যোৱানিশা মৃত্যু হয়। তেওঁ বিগত কিছুদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৪ বছৰ। ঝাৰোবড়ী লখিমী মহিলা সমিতিৰি সভানেত্ৰী আৰু সম্পাদিকা তথা ঝাৰোবড়ী সাহিত্য সভাৰ সদস্য দাসৰ বিয়োগত অঞ্চলবাসীয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত